**অসম বিধান সভা**
**তৰাযুক্ত প্ৰশ্ন নং - ২৪**
**উত্তৰ দানৰ তাৰিখ-৭/৭/২০২৬**

**বিষয় - কাটিগড়া সমষ্টির অন্তর্গত বদরপুর ঐতিহাসিক দুর্গের গুরুত্ব সম্পর্কিত।**

**শ্ৰী কমলাক্ষ দে পুরকায়স্থ, বিধায়ক**

**::<u>প্ৰশ্ন</u>::**

**মাননীয় পর্য্যটন বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি :**

(ক) কাটিগড়া সমষ্টির অন্তর্গত বদরপুর ঐতিহাসিক দুর্গের গুরুত্ব সম্পর্কে সরকার অবগত কি? যদি অবগত থাকেন, তবে দুর্গটি কবে প্রতিষ্ঠিত হয়েছিল এবং এর উৎপত্তি সম্পর্কিত কী কী ঐতিহাসিক নথি বা তথ্য সরকারের কাছে উপলব্ধ রয়েছে তাহার তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই।

(খ) উক্ত দুর্গটি কি কাছাড়ি রাজ্যের ইতিহাস ও ঐতিহ্যের সঙ্গে সম্পর্কিত? যদি হয়ে থাকে, তবে তার বিস্তারিত তথ্য সদনে প্রকাশ করার জন্য অনুরোধ জানাই ।

(গ) বদরপুর ঐতিহাসিক দুর্গটি যদি কাছাড়ি রাজ্যের ঐতিহ্যের অন্তর্ভুক্ত হয়ে থাকে, তবে এর সংরক্ষণ, পুনরুদ্ধার, সৌন্দর্যায়ন এবং পর্যটন কেন্দ্র হিসেবে উন্নয়ন ও প্রচারের উদ্দেশ্যে সরকার কোনো প্রকল্প, পরিকল্পনা বা সংরক্ষণমূলক ব্যবস্থা গ্রহণ করেছে কি? যদি থাকে তার বিস্তারিত বিবরণ সদনে প্রদান করার জন্য অনুরোধ করছি?

**:: উত্তৰ ::**

**মাননীয় পর্য্যটন বিভাগৰ মন্ত্ৰী শ্ৰীযুতা অজন্তা নেওঁগ ডাঙৰীয়ানীয়ে উত্তৰ দিব:-**

(ক) কাটিগড়া সমষ্টিৰ অন্তৰ্গত বদৰপুৰ ঐতিহাসিক দুৰ্গৰ গুৰুত্ব সম্পৰ্কে পৰ্য্যটন বিভাগ, অসম চৰকাৰ অৱগত।

প্ৰত্নতত্ব সঞ্চালকালয়ৰ পৰা পোৱা তথ্য অনুসৰি বদৰপুৰ ঐতিহাসিক দুৰ্গৰ কিছু সমল তলত উল্লেখ কৰা হ'ল :-

**<u>বদৰপুৰ দুৰ্গ (Badarpur Fort):</u>**

**<u>বদৰপুৰ দুৰ্গ হৈছে অসমৰ শ্ৰীভূমি জিলাৰ ঐতিহাসিক পটভূমি:</u>**

শ্ৰীভূমি জিলাৰ বদৰপুৰঘাটত অৱস্থিত বদৰপুৰ দুৰ্গ বৰাক নদীৰ বাওঁপাৰত অৱস্থিত। স্থানীয় তথ্য আৰু কিছুমান লিখিত নথি অনুসৰি, এই দুৰ্গ কছাৰী ৰজা

গোবিন্দ চন্দ্ৰৰ শাসনকালত নিৰ্মাণ কৰা হৈছিল। দুৰ্গটো উৎকৃষ্ট মানৰ পোৰা ইটাৰে নিৰ্মিত।

দুৰ্গটোৰ সন্মুখ আৰু পিছফালে মুঠ দুটা প্ৰৱেশদ্বাৰ আছে। ইয়াৰ চাৰিওটা কোণত চাৰিটা বেষ্টিয়ন **(Bastion)** আছে, যাৰ উচ্চতা ৩.৭৭ মিটাৰ। প্ৰতিটো বেষ্টিয়নত ১০টা লুপহ'ল **(Loophole)** আছে, যিবোৰ সৰু অস্ত্ৰেৰে গুলীচালনা কৰাৰ লগতে শত্ৰুৰ গতিবিধি পৰ্যবেক্ষণ কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। সমগ্ৰ গাঁথনিৰ উচ্চতা ৩.৫৮ মিটাৰ।

এই দুৰ্গ মূলতঃ প্ৰতিৰক্ষা ব্যৱস্থাৰ বাবে আৰু শত্ৰুৰ চলাচলৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখিবলৈ ব্যৱহাৰ কৰা হৈছিল। দুৰ্গটোৰ সন্মুখ আৰু পিছফালৰ দৈৰ্ঘ্য ১৮.৬০ মিটাৰ, আনহাতে দুয়োফালৰ প্ৰস্থ ১৯.২৫ মিটাৰ।

**<u>ৰাজ্যিক সুৰক্ষা</u> (State Protection):**

ই হৈছে ‘অসমৰ প্ৰাচীন কীৰ্তিচিহ্ন আৰু তথ্য অধিনিয়ম, ১৯৫৯’ **(The Assam Ancient Monuments and Records Act, 1959)**ৰ অধীনত ৰাজ্যিক সংৰক্ষিত পুৰাতাত্বিক স্থানৰ ব্যৱস্থাৰ দ্বাৰা সুৰক্ষিত এক স্বীকৃত ঐতিহাসিক কীৰ্তিচিহ্ন।

(খ) এই দুৰ্গটো কছাৰি ৰাজ্যৰ ইতিহাস আৰু ঐতিহ্যৰ লগত সম্পৰ্কিত বুলিও জনা যায়। ডিমাচা কছাৰী ৰাজ্য মানৰ **(Burmese)** আক্ৰমণৰ বলি হৈছিল আৰু ফৰ্ট উইলিয়ামৰ **(Fort William)** নিৰ্দেশত ব্ৰিটিছ সৈন্যই মানসকলক খেদি পঠোৱাৰ দায়িত্ব লৈছিল। তেওঁলোকে তেতিয়া ব্ৰিটিছৰ সুৰক্ষাত চিলেটত নিৰ্বাসিত হৈ থকা ডিমাচা ৰজা গোবিন্দ চন্দ্ৰক ৰাজ্য ঘূৰাই দিছিল, যিয়ে পৰৱৰ্তী সময়ত ব্ৰিটিছৰ সৈতে এখন চুক্তি স্বাক্ষৰ কৰিবলগীয়া হৈছিল। এই চুক্তিখন এই দুৰ্গটোতে স্বাক্ষৰিত হৈছিল আৰু সেইবাবেই ইয়াক 'বদৰপুৰ চুক্তি' **(Treaty of Badarpur)** বুলিও জনা যায়।

(গ) বদৰপুৰ ঐতিহাসিক দুৰ্গ ‘অসমৰ প্ৰাচীন কীৰ্তিচিহ্ন আৰু তথ্য অধিনিয়ম, ১৯৫৯’ **(The Assam Ancient Monuments and Records Act, 1959)** ৰাজ্যিক সংৰক্ষিত পুৰাতাত্বিক স্থানৰ ব্যৱস্থাৰ দ্বাৰা সুৰক্ষিত এক স্বীকৃত ঐতিহাসিক কীৰ্তিচিহ্ন হোৱা হেতু ইয়াৰ সংৰক্ষণ, পুনৰুদ্ধাৰ, সৌন্দৰ্যবৰ্দ্ধন আদিৰ দায়িত্ব অসম ৰাজ্যিক পুৰাতত্ব বিভাগৰ অধীনত। পৰ্য্যটন বিভাগ, অসম চৰকাৰৰ দ্বাৰা এই ঐতিহাসিক দুৰ্গৰ প্ৰচাৰৰ উদ্দ্যেশ্যে বিভাগীয় প্ৰচাৰ পত্ৰিকাত সন্নিৱিষ্ট কৰা হৈছে।

***********************

The reply has been submitted in the NeVA Portal of Assam Legislative Assembly.